# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::**

বজালী জিলাৰ পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি প্ৰথম দিনা বিজ্ঞান মেলা আৰু গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰা হয়। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই কৰ্ণেল গুৰুপ্ৰসাদ দাস বিজ্ঞান মেলাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। কৈলাশ মল্লবৰুৱা সোঁৱৰণী গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সম-উপাচাৰ্য ড° অমৰ জ্যোতি চৌধুৰীয়ে। অসম শিশু সাহিত্য ন্যাসৰ সচিব ঋষিকেশ গোস্বামীয়ে গ্ৰন্থমেলাৰ মঞ্চ উদ্বোধন কৰে। এই গ্ৰন্থমেলাতে আজি জ্যেষ্ঠ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ৰচনা কৰা **অসম বিধান সভাত কামেশ্বৰ দাস** শীৰ্ষক গ্ৰন্থখন বিশিষ্ট লেখক অঞ্জন শৰ্মাই উন্মোচন কৰে। ইয়াৰ পাছত মূল মঞ্চত অনুষ্ঠিত সাহিত্য আলোচনা উদ্বোধন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভানেত্ৰী মৃণালিনী দেৱীয়ে।

০০০০

উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ দুটা খণ্ডত আজি বৈদ্যুতিক লোকো পৰীক্ষণ সফলতাৰে সম্পন্ন হয়। যোৱা ২৯ জানুৱাৰীত লামডিং মণ্ডলৰ অন্তৰ্গত আগৰতলা-চাব্ৰুম খণ্ডৰ মাজত বৈদ্যুতিক লোকো পৰীক্ষণ সম্পন্ন হোৱাৰ পাছত আজি আলিপুৰ দুৱাৰ মণ্ডলৰ অন্তৰ্গত নিউ কোচবিহাৰ-বামনহাট খণ্ডৰ মাজত আন এটা সফল পৰীক্ষণ সম্পন্ন হয়। এই পৰীক্ষণসমূহ বৈদ্যুতিক চলনলৈ পৰিৱৰ্তনৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈ আহিছে। এই পৰীক্ষণে অঞ্চলটোত দ্ৰুত, অধিক দক্ষ আৰু পৰিৱেশ অনুকুল ৰেল পৰিচালন নিশ্চিত কৰিব।

উল্লেখযোগ্য যে, উত্তৰ পূৰ সীমান্ত ৰেলৱেত নিৰ্মানৰত অৱস্থাত থকা বৈদ্যুতিকৰণ অভিযানে দেশৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰেল সংযোগত বৈপ্লৱিক পৰিবৰ্তন আনিবলৈ সাজু হৈছে। ৰেল বৈদ্যুতিকৰণৰ দ্ৰুত প্ৰগতিৰ উদ্দেশ্য হৈছে জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস, ৰেলৰ গতিবেগৰ উন্নতকৰণ, পৰিচালন ব্যয় হ্ৰাস কৰাৰ লগতে সেউজ গৃহ গেছৰ নিগৰ্মন যথেষ্ট পৰিমাণে হ্ৰাস কৰা আৰু কাৰ্বন প্ৰশমিত ৰেলৱে নেটৱৰ্কৰ ব্যৱস্থা কৰা। উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ এই অগ্ৰগতিয়ে পৰিবহন ব্যৱস্থাত এক সেউজ, অধিক বহনক্ষম, ভৱিষ্যতৰ পথ প্ৰশস্ত কৰিছে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আহোম জনগোষ্ঠীয় লোকসকলৰ পৱিত্ৰ অনুষ্ঠান মে-ডাম-মে-ফি পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা হয়। আহোম জনগোষ্ঠীয় লোকসকলে আজিৰ দিনটোত পুলিন-পুথাওসকলক স্মৰণ কৰি দেশ আৰু জাতিৰ মঙ্গলৰ বাবে প্ৰাৰ্থনা জনায়। ৰাজ্যৰ অন্যান্য জিলাসমূহৰ দৰে লখিমপুৰৰ ত্যাগক্ষেত্ৰতো আজি পৰম্পৰাগত নীতি নিয়মেৰে পবিত্ৰ মে-ডাম-মে-ফি পালন কৰা হয়। দুদিনীয়াকৈ পালন কৰা লখিমপুৰ কেন্দ্ৰীয় মে-ডাম-মে-ফিৰ অনুষ্ঠানত কালি সন্ধিয়া ৬বজাৰ পৰা আহোমসকলৰ

পূৰ্বপুৰুষসকলক সোঁৱৰণ কৰি বান-ফি পূজা অনুষ্ঠিত কৰাৰ লগতে আজি পুৱা ডাম-ফি আৰম্ভ হয়। আজি বিয়লিৰ ভাগত লখিমপুৰ সমষ্টিৰ বিধায়ক মানৱ ডেকাই ডাম-ফি শীৰ্ষক এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে। এই সভাত কটন বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ অম্বেশ্বৰ গগৈয়ে কয়, যে আহোমসকলে অসমত প্ৰথম বুৰঞ্জী লিখাৰ কথা আৰম্ভ কৰিছিল।

০০০০

পশ্চিমবংগৰ কোচবিহাৰৰ শ্ৰীশ্ৰীমধুপুৰ ধাম সত্ৰত ৩ দিনীয়াকৈ অনুষ্ঠিত মধুপুৰ উৎসৱৰ আজি সামৰণি পৰে। যোৱা ২৯ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা এই উৎসৱত অসম আৰু পশ্চিমবংগ দুয়োখন ৰাজ্যৰ অগণন লোকে অংশগ্ৰহণ কৰে। আজি সামৰণি অনুষ্ঠানৰ পুৱা ভাগৰত শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছতে ধৰ্মধ্বজা উত্তোলন, গছপুলি ৰোপণ, নামপ্ৰসংগ আদি বিভিন্ন কাৰ্যসূচীৰ লগতে  বিয়লিৰ ভাগত এখন ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। অনুষ্ঠানত বৰগীত পৰিবেশন, সম্বৰ্ধনা অনুষ্ঠান আৰু স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। আজিৰ অনুষ্ঠানত অসম আৰু পশ্চিমবংগৰ বিভিন্ন সত্ৰৰ কেইবাগৰাকীও সত্ৰাধিকাৰ উপস্থিত থাকে। সন্ধিয়া অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত ঝুমুৰ নৃত্য, ভোৰতাল নৃত্য, কৃষ্ণ নৃত্য আৰু অংকীয়া নাট প্ৰদৰ্শন কৰা হয়। মধুপুৰ সত্ৰৰ ডেকা সত্ৰাধিকাৰ মাধৱ দেৱ মহন্তই মধুপুৰ সত্ৰৰ প্ৰতি দৃষ্টি ৰাখি ইয়াৰ আন্তঃগাথনি উন্নয়নৰ বাবে বিশেষ পদক্ষেপ লবলৈ অসম চৰকাৰক আহ্বান জনাইছে।

০০০০

মাজুলীত আজি মহিলা আৰু শিশু বিকাশ বিভাগ মাজুলীৰ উদ্যোগত জিলাখনৰ নেতাজী সুভাষ চন্দ্ৰ বসু আৱাসীক ভৱনত **আত্মৰক্ষা তথা ফিটনেচ প্ৰশিক্ষণ** শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনত **বেটী বচাও বেটী পঢ়াও** আঁচনিৰ অধীনত মহিলা আৰক্ষী বিষয়াৰ দ্বাৰা জিলাখনৰ ৫৪ গৰাকী ছাত্ৰীক প্ৰশিক্ষণ দিয়া হয়। ছাত্ৰীসকলক আত্মৰক্ষা সন্দৰ্ভত বিভিন্ন কৌশল তথা শৰীৰ সুস্থ ৰখাৰ বিভিন্ন উপায় এই কৰ্মশালাখনত শিকোৱা হয়।

০০০০

তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ কুমাৰীকাটাৰ নিকটৱৰ্তী গোপীনাথপুৰ শাখা সত্ৰৰ এখন মুখ্য তোৰণ আজি উন্মোচন কৰা হয়। বৰপেটা সত্ৰৰ অন্তৰ্গত গোপীনাথ শাখা সত্ৰৰ এই মুখ্য তোৰণখন বৰঙাজুলি সত্ৰৰ সত্ৰাধিকাৰ নিৰঞ্জন বড়োৱে আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই অনুষ্ঠানত অঞ্চলটোৰ বিভিন্ন জাতি জনগোষ্ঠীৰ ভালেসংখ্যক যুৱক যুৱতীয়ে সত্ৰাধিকাৰ নিৰঞ্জন বড়োৰ দ্বাৰা শৰণ লয়।

০০০০

সমাপ্ত